# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 14-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশৰ জেৱৰ বিমান বন্দৰৰ সমীপত এটা চেমিকনডাক্টৰ গোট স্থাপনত অনুমোদন জনাইছে।

২। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কৈছে যে ঘৰে ঘৰে পৰীক্ষা কৰিবলৈ যোৱা বুথ পৰ্যায়ৰ বিষয়াসকলৰ বাবে সোনকালেই মানসম্পন্ন পৰিচয় পত্ৰ জাৰি কৰা হ'ব।

৩। চত্তিশগড়ৰ তেলেংগানা সীমান্তৱৰ্তী বিজাপুৰ জিলাৰ কাৰেংগুট্টা পাহাৰত যোৱা ২১ দিন ধৰি চলোৱা মাওবাদী বিৰোধী অভিযানত ১৬ গৰাকী মহিলাসহ ৩১ জন মাওবাদী নিহত হৈছে।

৪। কেৰালাৰ কাৰিপুৰৰ কালিকট আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰত সীমা শুল্ক প্ৰাধিকাৰীয়ে যোৱা নিশা ৩৪ কিলোগ্ৰাম হাইব্ৰীড ভাংসহ তিনিগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে। ***আৰু***

৫। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ জিমনাষ্টিক প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশৰ জেৱৰ বিমান বন্দৰৰ সমীপত এটা চেমিকনডাক্টৰ গোট স্থাপনত অনুমোদন জনাইছে। নতুন দিল্লীত আজি এখন সংবাদমেলত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে **ভাৰত চেমিকনডাক্টৰ অভিযান**ৰ অধীনত এইচ চি এল আৰু ফক্সকনে যুটীয়াভাৱে এই চেমিকনডাক্টৰ গোটটো স্থাপন কৰিব। তেওঁ কয় যে এই প্ৰকল্পটোত প্ৰতি মাহে ২০ হাজাৰ ৱেফাৰ্ছ নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াৰ ডিজাইন আউটপুট ক্ষমতা হৈছে প্ৰতি মাহে ৩৬ মিলিয়ন ইউনিট। জেৱাৰত স্থাপন কৰিবলগীয়া এই নতুন গোটটোত ৩ হাজাৰ ৭০০ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৫ টা প্ৰকল্প চেমিকনডাক্টৰ প্ৰকল্পৰ নিৰ্মাণকাৰ্যই ইতিমধ্যে যথেষ্ট অগ্ৰগতি লাভ কৰিছে আৰু এই ষষ্ঠ গোটটোৰ জৰিয়তে ভাৰত কৌশলগতভাৱে অতি গুৰুত্বপূৰ্ণ চেমিকনডাক্টৰ উদ্যোগৰ যাত্ৰাত আৰু আগুৱাই যাব। তেওঁ কয় যে ২৭০ খন শৈক্ষিক প্ৰতিষ্ঠান আৰু ৭০ টা ষ্টাৰ্ট আপৰ ছাত্ৰ-ছাত্ৰী তথা উদ্যোগীয়ে নতুন সামগ্ৰী বিকাশৰ অৰ্থে বিশ্বমানৰ শেহতীয়া আৰ্হি প্ৰযুক্তিৰে কাম কৰি আছে।

০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কৈছে যে ঘৰে ঘৰে ভোটদাতাৰ পৰীক্ষা কৰিবলৈ যোৱা বুথ পৰ্যায়ৰ বিষয়াসকলৰ বাবে সোনকালেই মানসম্পন্ন পৰিচয় পত্ৰ জাৰি কৰা হ'ব। নতুন দিল্লী, বিহাৰ, হাৰিয়ানা আৰু দিল্লীৰ

বুথ পৰ্যায়ৰ বিষয়া, তত্বাৱধায়ক আৰু নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলৰ দুদিনীয়া দক্ষতা বিকাশ প্ৰশিক্ষণৰ উদ্বোধন কৰি শ্ৰীকুমাৰে এইদৰে কয়। তেওঁ কয় যে এই প্ৰশিক্ষণত অংশগ্ৰহণকাৰীসকলে পাছত নিজ নিজ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্যান্য বুথ পৰ্যায়ৰ বিষয়াসকলক প্ৰশিক্ষণ দিব পাৰিব। এই প্ৰশিক্ষণত তৃণমূল পৰ্যায়ত মুঠ ৩৭১ গৰাকী নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰে। নিৰ্বাচনী কাম-কাজসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ দক্ষতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বিশেষভাৱে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল।

০০০০০

চত্তিশগড়ৰ তেলেংগানা সীমান্তৱৰ্তী বিজাপুৰ জিলাৰ কাৰেংগুট্টা পাহাৰত যোৱা ২১ দিন ধৰি চলোৱা মাওবাদী বিৰোধী অভিযানত ১৬ গৰাকী মহিলাসহ ৩১ জন মাওবাদী নিহত হৈছে। বিজাপুৰত অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, চত্তিশগড়ৰ আৰক্ষী সঞ্চালক প্ৰধান অৰুণ দেৱ গৌতম আৰু বিজাপুৰৰ আৰক্ষী অধীক্ষক জীতেন্দ্ৰ কুমাৰ যাদৱে কয় যে ২১ এপ্ৰিলৰ পৰা চলিত মাহৰ ১১ তাৰিখলৈ চলা এই অভিযানকালত মুঠ ২১ টা সংঘৰ্ষৰ ঘটনা সংঘটিত হয়। এছ এল আৰ, অৰ্ধ স্বয়ংচালিত অস্ত্ৰ-শস্ত্ৰ আৰু ৪৫০ টা আই ই ডি সহ ৩৫ বিধ বিভিন্ন প্ৰকাৰৰ অস্ত্ৰ এই অভিযানকালত জব্দ কৰা হয়। ইয়াৰ উপৰিও মাওবাদীয়ে লুকাই থাকিবৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন এলেকা আৰু ২১৪ টা বাংকাৰ ধ্বংস কৰাৰ লগতে ১২ হাজাৰ কিলোগ্ৰাম ৰেচন উদ্ধাৰ কৰা হয়। এই অভিযানত নিহত হোৱা মাওবাদীসকলৰ ভিতৰৰ ২৮ জনক চিনাক্ত কৰা হৈছে। এই মাওবাদীসকলক ধৰাই দিব পাৰিলে তাৰ বিনিময়ত এক কোটি ৭২ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। চি আৰ পি এফৰ ডিজি জি পি সিঙে প্ৰকাশ কৰা অনুসৰি ২০২৬ চনৰ মাৰ্চৰ ভিতৰত মাওবাদী মুক্ত এখন দেশৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰৰ সংকল্প পূৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় নিৰাপত্তা বাহিনীসমূহে ৰাজ্যিক আৰক্ষীৰ সহযোগত নিয়মীয়াভাৱে এনেধৰণৰ মাওবাদী বিৰোধী অভিযান চলাই আহিছে।

০০০০০

ভিয়েটনামৰ ৰাজধানী হানৈত অৱস্থিত প্ৰসিদ্ধ কোৱান চু পেগ'ডা মন্দিৰত ভালেসংখ্যক ভক্তিপ্ৰাণ লোকে পবিত্ৰ বুদ্ধ স্মাৰকৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা জনাইছে। ভগৱান বুদ্ধৰ এই পবিত্ৰ স্মাৰকসমূহ ভাৰতৰ সাৰনাথৰ পৰা ভিয়েটনামৰ বুদ্ধ মন্দিৰত স্থাপন কৰা হৈছিল আৰু কালি ভাৰত আৰু ভিয়েটনামৰ ভিক্ষুসকলে পৰম্পৰাগত নিয়মীয়া নীতি নিয়ম আৰু প্ৰাৰ্থনাৰে সন্মান জনায়।

বুদ্ধ মন্দিৰটোত এই স্মাৰকসমূহ অহা শুকুৰবাৰলৈ প্ৰদৰ্শন কৰা হ'ব। ভাৰতে পবিত্ৰ স্মাৰকসমূহ ভিয়েটনামলৈ পঠোৱা বাবে ভিয়েটনামৰ ৰাষ্ট্ৰপতি লুওং কুওং ভাৰতক প্ৰশংসা কৰে। এই দিশসমূহে ভাৰত আৰু ভিয়েটনামৰ মাজৰ আধ্যাত্মিক আৰু সাংস্কৃতিক সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব বুলিও তেওঁ প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ নেতৃত্বত ভাৰতীয় প্ৰতিনিধিৰ এটা দলে যোৱা ২ মে'ত এই পবিত্ৰ স্মাৰকসমূহ ভিয়েটনামলৈ নিয়াৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিছিল। এই স্মাৰকসমূহ অহা ২১ মে'লৈ ভিয়েটনামত থাকিব। ইয়াৰ পূৰ্বে স্মাৰকসমূহ হোচি মিন মহানগৰৰ তাহ তাম পেগ'ডাত আৰু টেই নিহ প্ৰদেশৰ বা দেন শৃংগত প্ৰদৰ্শন কৰা হৈছে।

০০০০০

ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱইয়ে আজি ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ গৱইক

শপত বাক্য পাঠ কৰোৱায়। ন্যায়াধীশ বি আৰ গৱাই কালি কাৰ্যকাল সমাপ্ত হোৱা ন্যায়াধীশ সঞ্জীৱ খান্নাৰ স্থলাভিষিক্ত হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে শপত গ্ৰহণ অনুষ্ঠানত ভাগ লয়।

০০০০০

কেৰালাৰ কাৰিপুৰৰ কালিকট আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত সীমা শুল্ক প্ৰাধিকাৰীয়ে যোৱা নিশা ৩৪ কিলোগ্ৰাম হাইব্ৰীড ভাংসহ তিনিগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে। চেন্নাই, কইম্বাটুৰ আৰু ত্ৰিশূৰৰ এই মহিলাকেইগৰাকীয়ে থাইলেণ্ডৰ পৰা কুৱালালামপুৰ হৈ এয়াৰ এছিয়াৰ বিমানযোগে কালিকট বিমান বন্দৰত উপস্থিত হৈছিল। সীমা শুল্ক অধিকাৰীয়ে লগতে এই মহিলাকেইগৰাকীৰ পৰা প্ৰায় ১৫ কিলোগ্ৰাম চকলেট, কেক আৰু ছিনথেটিক ড্ৰাগ মিহলি বিস্কুটো জব্দ কৰে। ইপিনে, আন এটা ঘটনাত প্ৰায় ৯ কোটি টকা মূল্যৰ ১৮ কেজি হাইব্ৰীড ভাং চোৰাং বেপাৰৰ বাবে লৈ অহা কন্নৌৰৰ দুজন লোককো এই বিমান বন্দৰতে গ্ৰেপ্তাৰ কৰা হয়। লোককেইজন আবুধাবিৰ পৰা এটিহাদ এয়াৰৱে'জৰ বিমানেৰে কালিকট বিমান বন্দৰত উপস্থিত হৈছিল।

০০০০০

বেলুচিস্তানৰ নুস্কি জিলাত আজি পাকিস্তানৰ পাঞ্জাব প্ৰদেশৰ বিভিন্ন অঞ্চলৰ ৪ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি অচিনাক্ত বন্দুকধাৰীয়ে শ্ৰমিককেইজনক ঠাইতে গুলিয়াই হত্যা কৰে। আৰক্ষীয়ে ইতিমধ্যে এই হত্যাকাণ্ডৰ তদন্ত আৰম্ভ কৰিছে। শেহতীয়া এই ঘটনাৰ পৰিপ্ৰেক্ষিতত বেলুচিস্তানৰ নিৰাপত্তা পৰিস্থিতি আৰু অধিক অৱনতি ঘটিছে। উল্লেখযোগ্য যে বেলুচিস্তানত পাঞ্জাব প্ৰদেশৰ পৰা কাম কৰিবলৈ অহা লোকসকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আজি চৌদি আৰৱৰ ৰাজধানী ৰিয়াধত চিৰিয়াৰ অন্তৰ্বৰ্তীকালীন ৰাষ্ট্ৰপতি তথা প্ৰাক্তন ইছলামিক বিদ্ৰোহী গোটৰ নেতা আহমেদ অল চাহৰাক সাক্ষাৎ কৰে। ৰিয়াধত অনুষ্ঠিত গল্ফ সহযোগিতা পৰিষদৰ অন্তৰ্ভুক্ত সদস্য ৰাষ্ট্ৰসমূহৰ সন্মিলনত উপস্থিত থাকি ৰাষ্ট্ৰপতি ট্ৰাম্পে চিৰিয়াৰ নেতাগৰাকীক আব্ৰাহাম চুক্তিত সংযুক্ত হবলৈ আহ্বান জনায়। এই চুক্তি হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত গঠিত পশ্চিম এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সৈতে ইজৰাইলৰ সম্পৰ্ক স্বাভাৱিক কৰি তোলাৰ বাবে গঠিত এক চুক্তি। ট্ৰাম্পে এই বুলিও কয় যে ভৱিষ্যতলৈ আমেৰিকাই এই চুক্তিৰ অধীনত বহুকেইখন ৰাষ্ট্ৰক সংযুক্ত কৰিব। হোৱাইট হাউচৰ প্ৰেছ সচিব কাৰোলীন লিবিটে কয় যে ৰাছিয়া-ইউক্ৰেইন আৰু গাজাত চলি থকা সংঘৰ্ষৰ বিষয়েও এই সন্মিলনত আলোচনা অনুষ্ঠিত হ'ব। চৌদি আৰৱৰ ৰাজকুমাৰ প্ৰিন্স মহম্মদ বিন চলমানো এই বৈঠকত উপস্থিত আছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পে সন্মিলনত অংশগ্ৰহণৰ বাবে কালি চৌদি আৰৱত উপস্থিত হৈছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পৰ ভ্ৰমণৰ প্ৰথম দিনাই দুয়োখন দেশৰ মাজত ১৪২ বিলিয়ন ডলাৰৰ প্ৰতিৰক্ষা সামগ্ৰী বিক্ৰীৰ চুক্তি স্বাক্ষৰিত হয়।

০০০০০

চোমালিয়াত হোৱা কৃত্ৰিম বানৰ ফলত কমেও ৭ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৮৪ হাজাৰৰো অধিক লোক স্থানান্তৰিত হৈছে। এপ্ৰিলৰ মাজ ভাগৰ পৰা দেশখনত হোৱা প্ৰৱল বৰষুণৰ ফলতে কৃত্ৰিম বানৰ সৃষ্টি হৈছে। মানৱতাৰ বাবে থকা ৰাষ্ট্ৰসংঘৰ সমন্বয়কৰ কাৰ্যালয়ে কয়, যে বানৰ ফলত দেশখনত হোৱা ক্ষতিৰ লগতে বানাক্ৰান্ত লোকসকলক সাহায্য প্ৰদান কৰাৰ তাৎক্ষণিক প্ৰয়োজনীয়তা আহি পৰিছে। ৰাষ্ট্ৰসংঘৰ সংস্থাটোৱে কয় যে এই

সন্দৰ্ভত চোমালি চৰকাৰে এখন সমিতি গঠন কৰি দিছে। এই সমিতিখনত দেশখনৰ মন্ত্ৰীসকলৰ লগতে আঞ্চলিক বিষয়াসকলকো অন্তৰ্ভুক্ত কৰা হৈছে যাতে বান পৰিস্থিতিৰ ক্ষেত্ৰত প্ৰয়োজনীয় সঁহাৰি আগবঢ়াব পাৰে। উল্লেখযোগ্য যে দেশখনৰ মুঠ জনসংখ্যাৰ দুই তৃতীয়াংশই জীৱন ধাৰণৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল। দেশখনৰ জনসাধাৰণে ইয়াৰ পূৰ্বেও খৰাং আৰু প্ৰৱল বৰষুণ আদিৰ দৰে জলবায়ু সংক্ৰান্তীয় অনেক দুৰ্যোগৰ মুখামুখি হৈছিল।

ooooo

বিহাৰত চলি থকা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ জিমনাষ্টিক প্ৰতিযোগিতাসমূহ নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত খেলুৱৈসকলে সুন্দৰ প্ৰদৰ্শন কৰে। এই শাখাত পুৰুষৰ ফ্ল'ৰ ফাইনেলত উত্তৰ প্ৰদেশৰ হৰ্ষিত দি`য়ে সোণৰ পদক লাভ কৰিছে। কেৰালাৰ এছ্ চাজে ৰূপৰ পদক আৰু তুলিন তিৱাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

মহিলাৰ ভলটিং টেবল ফাইনেলত তেলেংগানাৰ নিশিকা আগৰৱালে সোণৰ পদক লাভ কৰিছে। এই একেই শিতানত মহাৰাষ্ট্ৰৰ অনুস্কাৰ পাটিলে ৰূপ আৰু একেটা দলৰে চাৰা ৰাৱলে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

মহিলাৰ আনইভেণ্ট বাৰ্চ ফাইনেলত অনুস্কা পাটিলে সোণৰ পদক, দিল্লীৰ স্নেহা তৰয়ালে ৰূপৰ আৰু নিশিকা আগৰৱালে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ